**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-JULY-2026
**Time :** 12.05 PM

# ASSAMESE 12.05 PM BULLETIN

———————————————————————————

১।　অসম বিধানসভাৰ ষোড়শ অধিৱেশনৰ অষ্টমদিনা পাৰ্পল চিটী সন্দৰ্ভত আলোচনা।
২।　ৰাজ্যৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলেও পি এম কিষাণৰ ঋণ লাভ কৰিব বুলি কৃষিমন্ত্ৰী পীযুষ হাজৰিকাৰ প্ৰকাশ।
৩।　পদ্মশ্ৰী সন্মানেৰে সন্মানিত সাহিত্যিক গীতা উপাধ্যায়ৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন। **আৰু**
৪।　স্পেইনৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমটো দল হিচাপে ফাইনেলত প্ৰৱেশ।

০০০০০০

অসম বিধানসভাৰ ষোড়শ অধিৱেশনৰ আজি অষ্টম দিনাৰ কাৰ্যক্ৰমণিকা পুৱা চাৰে ৯ বজাত প্ৰশ্নোত্তৰ ঘণ্টাৰে আৰম্ভ হৈছে। আজি সদনত গুৱাহাটী মহানগৰীক পাৰ্প’ল চিটী হিচাপে গঢ় দিয়াক লৈ আজি আলোচনা অনুষ্ঠিত হৈছে। বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে এই বিষয়টো উত্থাপন কৰে। ইপিনে, বাজেট সন্দৰ্ভতো আজি সদনত শাসক-বিৰোধী উভয় পক্ষৰ বিধায়কে বিতৰ্কত অংশ ল’ব। বিধানসভাত পি এম কিষাণ আঁচনিৰ ঋণক লৈ বিধায়ক চক্ৰধৰ গগৈৰ প্ৰশ্নৰ উত্তৰত কৃষিমন্ত্ৰী পীযুষ হাজৰিকাই এতিয়াৰে পৰা ক্ষুদ্ৰ চাহ খেতিয়কেও পি এম কিষাণৰ ঋণ লাভ কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে সমগ্ৰ অসমতে কৃষক পঞ্জীয়ন দ্ৰুত গতিত হৈছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে এতিয়ালৈ ১৮ লাখ ৫৯ হাজাৰ কৃষকে পি এম কিষাণ আঁচনিৰ অধীনত ধন লাভ কৰিছে।

**বাইট**

ইপিনে, ৰাজ্যত সীমা পুনৰ নিৰ্ধাৰণৰ পাছত ১০২ টা গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ স্থান সলনি হৈছে। ৭৮ কোটি টকা ব্যয়েৰে ১৫৬ টা কাৰ্যালয় ভৱন নিৰ্মাণ কৰা হ’ব। প্ৰতিটো কাৰ্যালয় নিৰ্মাণৰ বাবদ ৫০ লাখ টকাকৈ ব্যয় কৰা হ’ব বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই আজি সদনত উল্লেখ কৰে।

**বাইট**

বিধানসভাত কালি ৰাজ্যখনত পাঁচ বছৰত ১৫ হাজাৰ ৮৬১ হেক্টৰ ভূমি দখলমুক্ত হোৱা বুলি বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰে। বিধায়ক দিপ্তীময়ী চৌধুৰীৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই তথ্য সদৰি কৰে। তেওঁ কয়, যে ৰাজ্যৰ ৩ লাখ ১২ হাজাৰ ৯৮২ হেক্টৰ বনভূমিত এতিয়াও দখলকাৰীৰ কবলত আছে।

আনহাতে, ৰাজ্যখনলৈ ২০২৫-২৬ বৰ্ষত বিদেশী পৰ্যটকৰ সংখ্যা ৪৭ হাজাৰলৈ বৃদ্ধি পাইছে বুলি কালি পৰ্যটন মন্ত্ৰী অজন্তা নেওগে বিধানসভাত প্ৰকাশ কৰে। কমেও ২৮ খন বিদেশী ৰাষ্ট্ৰৰ পৰা অসমলৈ পৰ্যটক আহিছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

০০০০০০

গুৱাহাটীৰ খানাপাৰাত থকা গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত কালি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰতিষ্ঠানখনে ৰাজ্যজুৰি ৰূপায়ণ কৰি থকা

আন্তঃগাঁথনিমূলক প্ৰকল্প, দক্ষতা বিকাশমূলক প্ৰশিক্ষণ, পুঁজিৰ স্বচ্ছ আৰু ফলপ্ৰসূ ব্যৱহাৰ, প্ৰতিষ্ঠানখনৰ নিজা ৰাজহ সৃষ্টিৰ ব্যৱস্থা তথা অন্যান্য কাৰ্যকলাপ অগ্ৰগতিৰ বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়।

সবল, সুপৰিকল্পিত আৰু বহনক্ষম গ্ৰাম্য উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে পঞ্চায়তীৰাজ ব্যৱস্থা অধিক শক্তিশালী আৰু জনমুখী কৰি তোলাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। সেয়েহে এই বৈঠকত ৰাজ্যৰ গ্ৰামাঞ্চলসমূহত অপৰিকল্পিত আৰু পৰিৱেশৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব পৰা আন্তঃগাঁথনিমূলক নিৰ্মাণ কাৰ্য নিয়ন্ত্ৰণৰ উদ্দেশ্যে পঞ্চায়তসমূহক সামৰি এখন সুসংহত আইন প্ৰণয়নৰ প্ৰয়োজনীয়তা সন্দৰ্ভত এই বৈঠকত আলোচনা কৰা হয়। বৈঠকত মন্ত্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তী, গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক অনন্ত কুমাৰ গগৈকে ধৰি ভালেসংখ্যক গন্য-মান্য লোক উপস্থিত থাকে।

০০০০০০

অসমীয়া আৰু নেপালী ভাষাত সমান্তৰালভাৱে সাহিত্য চৰ্চা কৰি ৰাজ্যত সম্প্ৰীতিৰ ভেটি শক্তিশালী কৰাৰ লগতে দুবাৰকৈ সাহিত্য একাডেমী বঁটা লাভ কৰা বিশিষ্ট সাহিত্যিক গীতা উপাধ্যায়ৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। পদ্মশ্ৰী সন্মানেৰে সন্মানিত সাহিত্যিক উপাধ্যায়ে অসমীয়া আৰু নেপালী ভাষাত কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। যোৱা ১৩ জুলাইৰ নিশা মৃত্যু হোৱা সাহিত্যিকগৰাকীৰ তেজপুৰৰ চানমাৰিস্থিত বাসগৃহলৈ কালি ভালেসংখ্যক গুণমুগ্ধৰ আগমন ঘটে আৰু তেওঁলোকে সাহিত্যিকগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। আজি অন্ত্যেষ্টিক্ৰিয়া অনুষ্ঠানত শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে কালি ৰাজ্যজুৰি ৰূপায়ণ হৈ থকা অমৃত আঁচনিৰ অধীনৰ প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে ঠিকাদাৰসকলৰ সৈতে বৈঠকত মিলিত হয়। জনতা ভৱনত অনুষ্ঠিত এই বৈঠকত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, অমৃত অসমৰ পৰিচালন সঞ্চালক সম্প্ৰীতি গোস্বামী, অতিৰিক্ত পৰিচালন সঞ্চালক শান্তনু সুত্ৰধৰকে ধৰি সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰী শ্ৰীৰায়ে অমৃত প্ৰথম পৰ্যায়ৰ আঁচনিৰ অধীনত পানীযোগান প্ৰকল্পসমূহ সম্পূৰ্ণ কৰি সংশ্লিষ্ট নগৰ নিকায়সমূহক হস্তান্তৰ কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। এই প্ৰকল্পসমূহৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত সম্পূৰ্ণ দায়বদ্ধতাৰে কাম কৰিবলৈও বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিয়ে। বৈঠকত উপস্থিত থকা ঠিকাদাৰসকলৰ সৈতে প্ৰকল্পসমূহৰ অগ্ৰগতি, ৰূপায়ণৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহ আৰু সম্পূৰ্ণ কৰা সময়সীমা সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০

চিৰাং জিলাৰ বেংতল ৰাজহ চক্ৰৰ অন্তৰ্গত মাদাৰপুৰ গাঁৱত আই নৈৰ গৰা খহনীয়াই দাঁতিকাষৰীয়া অঞ্চলৰ কৃষিভূমিত বিস্তৰ ক্ষতি কৰে। নৈৰ বাঢ়নী পানীয়ে জনবসতি অঞ্চলৰ ঘৰ-দুৱাৰ প্লাৱিত কৰাৰ লগতে কৃষিভূমিও বালিৰে পুতি পেলাইছে। কালি পুৱাৰে পৰা নৈখনৰ জলস্তৰ বৃদ্ধি হোৱাত খহনীয়াৰ প্ৰকোপো বৃদ্ধি পাইছে। খহনীয়া ৰোধ আৰু বান নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ স্থানীয় ৰাইজে প্ৰশাসনক অনুৰোধ জনাইছে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি পুনৰ শিল্পীগৰাকীৰ ভগ্নী পামী বৰঠাকুৰৰ সাক্ষ্য লোৱা হ'ব। কালি সময়ৰ অভাৱৰ বাবে তেওঁৰ সাক্ষ্যগ্ৰহণ সম্পূৰ্ণ নহ'ল। সেয়েহে আজি তেওঁক পুনৰ আদালতত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হৈছে।

কালি প্ৰয়াত শিল্পীজনৰ বন্ধু জয়ন্ত কাকতিয়ে সাক্ষ্য দিয়ে। অভিযুক্ত পক্ষৰ অধিবক্তাই শ্ৰীকাকতিক প্ৰতি জেৰা কৰে। বিশেষকৈ অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই তেওঁক জুবিন গাৰ্গৰ সৈতে ২০২২ চনত দোহা আৰু ২০২৩ চনত আমেৰিকালৈ একেলগে যোৱা, সময়মতে জুবিন গাৰ্গৰ ঔষধ খুওৱা হৈছিল নে নাই, আদি প্ৰশ্ন কৰে। শ্ৰীকাকতিয়ে ইয়াৰ যথাযথ উত্তৰ দিয়ে।

গুৱাহাটী উচ্চ ন্যায়ালয়ত আজি অভিযুক্ত সন্দিপন গাৰ্গৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰা হ'ব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে আজি অভিযুক্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰিব।

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো চালিজাৰি চোৱাৰ বাবে গঠন কৰি দিয়া মন্ত্ৰী পৰ্যায়ৰ সমিতিখনে ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি বিধানসভাত এই কথা প্ৰকাশ কৰে। বিভাগীয়ভাৱে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰে প্ৰতিবেদনখন নতুন দিল্লীলৈ প্ৰেৰণ কৰা হ'ব বুলি তেওঁ কয়। বিধানসভাত বিৰোধী পক্ষৰ নেতা ৰাজেদ আলী চৌধুৰীয়ে বিশেষ প্ৰসংগ ঘণ্টাত উত্থাপন কৰা বিষয়টোৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে কয়, যে নতুনকৈ প্ৰস্তাৱিত উপত্যকা জনজাতি শাখাৰ অধীনত ভৈয়াম জনজাতি, পাহাৰ জনজাতি আৰু সংৰক্ষণৰ বিষয় সন্দৰ্ভত আগবঢ়োৱা পৰামৰ্শকে ধৰি জনজাতীয় মৰ্যাদা সম্পৰ্কীয় মূল প্ৰস্তাৱসমূহত কোনোধৰণৰ সাল-সলনি কৰা হোৱা নাই।

ইপিনে, জনজাতিকৰণৰ বিষয়টো আলাপ-আলোচনামৰ্মে সমাধানৰ ব্যৱস্থা কৰা হৈছে বুলি মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে বৰ্তমানৰ জনজাতিৰ লোকসকলৰ শংকা দূৰ কৰি জনজাতিকৰণৰ বিষয়টো নিষ্পত্তি কৰিব লাগিব। এইক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত আছে বুলি তেওঁ কয়।

০০০০০০

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কৰ্তৃপক্ষই অসম চৰকাৰৰ বিক্ৰী কৰ বিভাগৰ অৱসৰী যুটীয়া আয়ুক্ত তথা কাৰ্বি আংলং জিলা পৰিষদৰ প্ৰাক্তন অতিৰিক্ত সচিব টেনজিং ইংতিৰ বিয়োগত শোক প্ৰকাশ কৰিছে। তেওঁৰ সন্মানাৰ্থে পৰিষদে এখন জাননীযোগে আজি ডিফুত থকা পৰিষদৰ সচিবালয় আজি বন্ধ ৰখা হ'ব বুলি ঘোষণা কৰিছে।

০০০০০০

স্পেইনে চলিত বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমটো দল হিচাপে ফাইনেলত প্ৰৱেশ কৰিছে। স্পেইনে যোৱানিশা আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ ডালাছ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্সক ২-০ গ'লত পৰাস্ত কৰে। স্পেইনৰ হৈ মাইকেল অয়াৰজাবালে খেলখনৰ ২২ মিনিটত প্ৰথমটো আৰু পেড্ৰ' প'ৰ'ৰে ৫৮ মিনিটত দ্বিতীয়টো গ'ল দি বিজয় নিশ্চিত কৰে। প্ৰথমটো বিশ্বকাপ ট্ৰফী জয় কৰাৰ সুদীৰ্ঘ ১৬ বছৰৰ বিৰতিৰ মূৰত এইবেলি "লা ৰ'জা" হিচাপে বিখ্যাত স্পেইনৰ দলটো ফাইনেলত উপনীত হৈছে। দলটো অহা

দেওবাৰে নিশা নিউ জাৰ্চিৰ মেটলাইফ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত আৰ্জেণ্টিনা বা ইংলেণ্ডৰ মুখামুখি হ'ব।

প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেল আজি নিশা আটলাণ্টা ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখনত বিগত সংস্কৰণৰ বিজয়ী আৰ্জেণ্টিনা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বৃহস্পতিবাৰে নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব।

০০০০০০

**সমাপ্ত**